**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-11-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

***::::::: ::::::: :::::::: ::::::::***

অহা বছৰৰ ১৩ ফেব্ৰুৱাৰীৰ পূৰ্বে ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। দিছপুৰত আজি অনুষ্ঠিত সংবাদ মেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে জানুৱাৰীত পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰা হ'ব। দুটা পৰ্যায়ত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

ইপিনে, অসম বিধানসভাৰ বাজেট অধিবেশনৰ এটা দিনৰ কাৰ্যক্ৰমণিকা কোকৰাঝাৰত অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজ্যপালৰ অভিভাষণ বা বিত্ত মন্ত্ৰীৰ বাজেট ভাষণ কোকৰাঝাৰত অনুষ্ঠিত কৰাৰ চিন্তা-চৰ্চা কৰা হৈছে।

০০০০০০

কাইলৈৰ পৰা হ'বলগীয়া সংসদৰ শীতকালীন অধিবেশনৰ পূৰ্বে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সকলো ৰাজনৈতিক দলৰ সাংসদসকলক সংসদীয় বিধিসমূহ মানি চলিবলৈ আহ্বান জনাইছে। তেওঁ লগতে সকলো সাংসদকে অধিবেশন পৰিচালনাৰ ক্ষেত্ৰত সহায় কৰিবলৈও আহ্বান জনাইছে।

০০০০০০

কাইলৈৰ পৰা হ'বলগীয়া সংসদৰ শীতকালীন অধিৱেশনত যিকোনো বিষয় আলোচনা কৰিবলৈ চৰকাৰ সাজু বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত সৰ্বদলীয় বৈঠকৰ পাছত সংবাদমাধ্যমৰ সৈতে মত বিনিময় কৰি শ্ৰী ৰিজিজুৱে অধিৱেশৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে অব্যাহত থকাতো সুনিশ্চিত কৰিবলৈ বিৰোধী দলসমূহলৈ আহ্বান জনায়। কংগ্ৰেছৰ সাংসদ প্ৰমোদ তিৱাৰীয়ে কয়, যে দলটোৱে মণিপুৰৰ পৰিস্থিতি, নিবনুৱা সমস্যা, উত্তৰ-ভাৰতৰ প্ৰদূষণ তথা এগৰাকী উদ্যোগপতিৰ ওপৰত উত্থাপিত অভিযোগ সন্দৰ্ভত আলোচনা কৰাৰ পোষকতা কৰিছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সৰ্বদলীয় বৈঠকত অধ্যক্ষতা কৰে। কেন্দ্ৰীয় মন্ত্ৰী অনুপ্ৰিয়া পেটেল, এল মুৰুগান, বিজেডিৰ সাংসদ শছমীত পাত্ৰ, সমাজবাদী পাৰ্টীৰ সাংসদ ৰামগোপাল য়াদৱ, এম ডি এম কেৰ সাংসদ ৱাইক', কংগ্ৰেছৰ সাংসদ প্ৰমোদ তিৱাৰী, জয়ৰাম ৰমেশকে ধৰি অন্যান্যসকলে সৰ্বদলীয় বৈঠকত অংশগ্ৰহণ কৰে। সংসদৰ শীতকালীন অধিৱেশন ২০ ডিচেম্বৰত অধিৱেশনৰ অন্ত পৰিব। অৱশ্যে সংবিধান দিৱসৰ সৈতে সংগতি ৰাখি অহা ২৬ নৱেম্বৰত সংসদৰ কাম-কাজ বন্ধ থাকিব।

০০০০০০

এ আই ইউ ডি এফ দলে দলটোৰ কৰ্ণধাৰ সমিতিৰ সিদ্ধান্ত মৰ্মে হাইলাকান্দি সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন লস্কৰক দলৰ প্ৰাথমিক সদস্য-পদৰ পৰা ছবছৰৰ বাবে নিলম্বন কৰিছে। দলবিৰোধী কাৰ্যকলাপত লিপ্ত থকাৰ অভিযোগত বিধায়কগৰাকীক নিলম্বনৰ সিদ্ধান্ত লোৱা হৈছে। দলৰ প্ৰশাসনিক সাধাৰণ সম্পাদক তথা বিধায়িনী দলৰ

নেতা হাফিজ বছিৰ আহমেদ কাছিমীৰ দ্বাৰা স্বাক্ষৰিত এখন পত্ৰত এই নিলম্বনৰ বিষয়ে উল্লেখ কৰি বিধায়কগৰাকীলৈ প্ৰেৰণ কৰা হয় বুলি দলৰ সূত্ৰই প্ৰকাশ কৰিছে।

oooooo

অসমত ৰে'ল সেৱাৰ মান এতিয়াও উন্নত হ'বলৈ বাকী আৰু যাত্ৰীৰ চাহিদা পূৰণ কৰিব পৰা নাই বুলি বিভিন্ন অঞ্চলৰ জনসাধাৰণ তথা সংগঠনে আজি আকাশবাণী গুৱাহাটীৰ সংবাদ চলন্তিকা অনুষ্ঠানত প্ৰকাশ কৰে। অনুষ্ঠানত অংশ লৈ ডিব্ৰুগড়ত টাউন ৰে'ল ষ্টেচন বিলুপ্ত কৰা প্ৰস্তাৱৰ সচেতন ৰাইজ আৰু ৰে'ল যাত্ৰীয়ে বিৰোধিতা কৰে আৰু এই সিদ্ধান্ত পুনৰ বিবেচনা কৰিবলৈ দাবী জনায়। তদুপৰি কোভিড কালত চলাচল বন্ধ কৰা ৰে'লসমূহ শীঘ্ৰেই বাহাল কৰিবলৈও সচেতন ৰাইজ আৰু সংগঠনসমূহে অনুষ্ঠানটোত দাবী উত্থাপন কৰে। অনুষ্ঠানটো প্ৰযোজনা কৰে ৰাজীৱ লোচন বৰঠাকুৰে।

oooooo

বজালী, কাছাৰ, যোৰহাট, তামুলপুৰ, কৰিমগঞ্জ, বৰপেটা আৰু গোৱালপাৰাৰ জিলা আয়ুক্তই নিজৰ এলেকাত এটাকৈ জল জীৱন মিছন আঁচনিৰ কাম আৰম্ভ কৰিছে। জিলা আয়ুক্তকেইগৰাকীয়ে লগতে নলযোগে বিশুদ্ধ পানী যোগান আঁচনি পৰিদৰ্শন কৰে। এই প্ৰচেষ্টাৰ অংশ হিচাপে সাংসদ আৰু বিধায়কসকলকো জল জীৱন মিছনৰ অধীনত এটাকৈ আঁচনিৰ দায়িত্ব গ্ৰহণ কৰিবলৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আহ্বান জনায়। জল জীৱন মিছনৰ সৈতে জড়িত অভিযন্তাসকলে ইতিমধ্যে এটাকৈ আঁচনিৰ দায়িত্ব গ্ৰহণ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। এনে ধৰণৰ সামূহিক প্ৰচেষ্টাই ভৱিষ্যতে পানী ব্যৱহাৰকাৰী সমিতিসমূহক সঠিকভাৱে কাম কৰি যোৱাত সহায় কৰাৰ লগতে নলযোগে বিশুদ্ধ পানী যোগান আঁচনিসমূহ বহনক্ষম হোৱাটো নিশ্চিত কৰিব বুলি তেওঁ লগতে প্ৰকাশ কৰে।

ooooooo

অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান আজি গুৱাহাটীত অনুস্থিত হয়। প্ৰাথমিক শিক্ষক সন্মিলনিৰ শিক্ষক ভৱনৰ সভাকক্ষ আৰু গুৱাহাটী কৰ্মাচ কলেজত কালিৰে পৰা অনুষ্ঠিত এই কাৰ্যসূচীৰ আজি সামৰণিৰ দিনা সন্মিলনিৰ ইতিহাস সমৃদ্ধ গ্ৰন্থ অতীত সুবাস সোপানেৰে ভৱিষ্যতলৈ শীৰ্ষক গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে অসম শিশু সাহিত্য ন্যাসৰ সচিব হৃষিকেশ গোস্বামীয়ে। মুকলি সভাত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্যই ভাষণ দিয়ে।

ooooooo

গুৱাহাটীত প্ৰথমবাৰৰ বাবে অহা ২৭ নৱেম্বৰৰ পৰা ২৯ নৱেম্বৰলৈ উত্তৰ-পূব পেৰা গেমছ অনুষ্ঠিত হ'ব। এই ক্ৰীড়া সমাৰোহত উত্তৰ-পূবৰ দিব্যাংগ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। এই সমাৰোহত পেৰা এথলেটিকছ, পেৰা ছুইমিং, পেৰা বেডমিণ্টন আৰু পেৰা টেবুল টেনিছ অনুষ্ঠিত হ'ব। পেৰা এথলেটিকছত ১০০ মিটাৰ, ১৫০০ মিটাৰ দৌৰৰ লগতে শ্বটপুট, ডিছকাছ থ্ৰো আৰু লং জাম্প অন্তৰ্ভুক্ত কৰা হৈছে। আনহাতে, পেৰা ছুইমিঙত ৫০ মিটাৰ আৰু ১০০ মিটাৰ ফ্ৰীষ্টাইল, ৫০ মিটাৰ আৰু ১০০ মিটাৰ বেকষ্ট্ৰোকৰ লগতে ৫০ আৰু ১০০ মিটাৰ ব্ৰেষ্টষ্ট্ৰোক অন্তৰ্ভুক্ত কৰা হৈছে। ১০০ মিটাৰ বাটাৰ ফ্লাই আৰু ৪ ইণ্টু ১০০ মিটাৰ ফ্ৰীষ্টাইল ৰিলেও পেৰা ছুইমিঙত অন্তৰ্ভুক্ত কৰা হৈছে।

ooooooo

**ঃঃ সমাপ্ত ঃঃ**